DAILY ASSAM

গোট ৩

# শিক্ষাৰ সাম্প্ৰতিক ধাৰাসমূহ

## বিষয় সূচী


- প্ৰস্তাৱনা

(ক) পৰিৱেশ শিক্ষা
- পৰিবেশৰ অৰ্থ আৰু সংজ্ঞা
- পৰিবেশ শিক্ষাৰ ধাৰণা
- পৰিবেশ শিক্ষাৰ সংজ্ঞা
- পৰিবেশ শিক্ষাৰ প্ৰয়োজনীয়তা
- পৰিবেশ শিক্ষাৰ নীতি
- পৰিবেশ শিক্ষাৰ পৰিসৰ

(খ) জনসংখ্যা শিক্ষা ঃ
- জনসংখ্যা শিক্ষাৰ অৰ্থ আৰু সংজ্ঞা
- জনসংখ্যা শিক্ষাৰ বৈশিষ্ট্য
- জনসংখ্যা শিক্ষাৰ প্ৰয়োজন
- শিক্ষানুষ্ঠানত জনসংখ্যা শিক্ষা

(গ) শাৰীৰিক শিক্ষা
- শাৰীৰিক শিক্ষাৰ অৰ্থ আৰু সংজ্ঞা
- শাৰীৰিক শিক্ষাৰ প্ৰয়োজন আৰু গুৰুত্ব
- বিদ্যালয়ত শাৰীৰিক শিক্ষা

(ঘ) মূল্যবোধৰ শিক্ষা
- মূল্যবোধৰ অৰ্থ আৰু সংজ্ঞা
- মূল্যবোধৰ শিক্ষা — ধাৰণা
- মূল্যবোধৰ শিক্ষাৰ বৈশিষ্ট্য
- মূল্যবোধৰ শিক্ষাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব
- বিদ্যালয়ত মূল্যবোধৰ শিক্ষা

(ঙ) মহিলা সৱলীকৰণ
- মহিলা সৱলীকৰণৰ ধাৰণা
- মহিলা সৱলীকৰণৰ সংজ্ঞা
- ভাৰতীয় শিক্ষা ব্যৱস্থাত মহিলাৰ স্থিতি
- মহিলা সৱলীকৰণৰ বাবে শিক্ষা ব্যৱস্থা

গোট ৩

# শিক্ষাৰ সাম্প্ৰতিক ধাৰাসমূহ

**লক্ষ্য ঃ**

এই পাঠ অধ্যয়ন কৰি ছাত্ৰ-ছাত্ৰীসকলে পৰিবেশ শিক্ষা, জনসংখ্যা শিক্ষা, শাৰীৰিক শিক্ষা, মূল্যবোধৰ শিক্ষা আৰু মহিলা সৱলীকৰণ সম্পৰ্কে অৱগত হ'ব।

**"পৰিবেশ শিক্ষা" অধ্যয়ন কৰি তুমি**

- পৰিবেশ আৰু ইয়াৰ বিভিন্ন সমস্যাৰাজিৰ বিষয়ে সজাগ হ'ব পাৰিবা।
- পৰিবেশ আৰু ইয়াৰ সমস্যাৰাজিৰ বিষয়ে বিভিন্ন ধৰণৰ অভিজ্ঞতা আৰু মৌলিক বোধগম্যতা আহ্বান কৰিব পাৰিবা।
- পৰিবেশৰ প্ৰতি দায়িত্বশীল মনোভাৱ গঢ়ি তুলিব পাৰিবা।
- পৰিবেশীয় সমস্যা চিনাক্তকৰণ আৰু সমস্যা সমাধানৰ কৌশল সমূহ আয়ত্ব কৰিব পাৰিবা।
- পৰিবেশ সম্বন্ধীয় বিভিন্ন কাৰ্যাৱলীবোৰ দায়িত্বসহকাৰে আৰু সক্ৰিয়ভাৱে কৰিবলৈ প্ৰয়োজন হোৱা সামৰ্থ্য অৰ্জন কৰিব পাৰিবা।

**"জনসংখ্যা শিক্ষা" অধ্যয়ন কৰি তুমি**

- "বৰ্দ্ধিত জনসংখ্যা", ইয়াৰ কাৰণ, ধাৰা, সমস্যা আৰু সমাধান সম্পৰ্কে অৱগত হ'ব পাৰিবা।
- জনসংখ্যা বৃদ্ধিৰ ধাৰাই কেনেকৈ জীৱনৰ বিভিন্ন দিশত প্ৰভাৱ পেলাইছে সেই বিষয়ে জানিব পাৰিবা।
- পৰিয়ালৰ মাতৃগৰাকীৰ স্বাস্থ্য ভালে ৰাখিবলৈ, ল'ৰা ছোৱালীৰ কল্যাণ সাধিবলৈ আৰু পৰিয়ালৰ অৰ্থনৈতিক ভাৰসাম্য বজাই ৰাখিবলৈ ভাৰতীয় পৰিয়াল সৰু হোৱাৰ যে প্ৰয়োজন, বুজিব পাৰিবা।
- সমাজৰ পৰিবৰ্তনৰ ক্ষেত্ৰত জনসংখ্যাৰ প্ৰভাৱ সম্পৰ্কে জানিব পাৰিবা।
- সৰু পৰিয়াল যে সুখী পৰিয়াল— সেই সম্পৰ্কে ধাৰণাৰ সৃষ্টি কৰিব পাৰিবা।

**শাৰীৰিক শিক্ষাৰ দ্বাৰা তুমি**

- ব্যক্তিৰ সৰ্বাত্মক বিকাশ সম্পৰ্কে অৱগত হ'ব পাৰিবা।
- ব্যক্তিৰ শাৰীৰিক, মানসিক আৰু আবেগিক বিকাশৰ মাধ্যমসমূহৰ বিষয়ে জানিব পাৰিবা।
- প্ৰত্যেক ব্যক্তিয়ে ব্যক্তিগত আৰু সামাজিক গুণৰাশিৰ বিকাশৰ যোগেদি যাতে শান্তিৰে জীৱন অতিবাহিত কৰিব পাৰে আৰু সুনাগৰিক হ'ব পাৰে, সেই সম্পৰ্কে বুজিব পাৰিবা।
- ইতিবাচক চিন্তাধাৰা কৰিব পাৰিবা।
- অবাবত সময় নষ্ট নকৰি ভাল কাম কৰাৰ

উদ্‌গনি লাভ কৰিব পাৰিব।

- শাৰীৰিক সুস্থতা, সামাজিক দক্ষতা, সংস্কৃতি, আজৰি সময়ৰ উপযুক্ত ব্যৱহাৰ, স্বাস্থ্যক নিয়ন্ত্ৰণত ৰখাৰ কৌশলবোৰ আয়ত্ব কৰিব পাৰিবা।

**মুল্যবোধৰ শিক্ষা অধ্যয়ন কৰি তুমি**

- একোটা বিষয়ৰ ওপৰত বিভিন্ন ধৰণৰ বিচাৰ বিবেচনাৰ মাধ্যমেৰে ধাৰণাৰ বিকাশ ঘটাব পাৰিবা।
- সমাজত প্ৰচলিত বিভিন্ন ধৰণৰ মুল্যবোধ যেনে আধ্যাত্মিক, নৈতিক মানসিক বা বৌদ্ধিক, সৌন্দৰ্য্যবোধক, নাগৰিকত্ব, পাৰ্থিৱ, ধাৰ্মিক, আবেগিক আদিৰ সম্পৰ্কে অৱগত হ'ব পাৰিবা।
- ব্যক্তি আৰু সমাজৰ উন্নতিত অৰিহণা যোগাব পাৰিবা।
- ব্যক্তিয়ে সমাজত প্ৰদৰ্শন কৰিব লগীয়া আচৰণ সম্বন্ধে আৰু সমাজ এখনক স্বীকৃতি প্ৰদান কৰাৰ কৌশলবোৰ জানিব পাৰিবা।

**"মহিলা সৱলীকৰণ" অধ্যয়ন কৰি তুমি**

- মহিলাক প্ৰতিভা বিকাশৰ কি সুবিধা দিব পাৰি সেইসম্পৰ্কে জানিব পাৰিবা।
- মহিলাক আত্মসন্মানবোধ আৰু আত্মবিকাশ সৃষ্টি হোৱাত সহায় কৰাৰ কৌশল আয়ত্ব কৰিব পাৰিবা।
- সংবিধান প্ৰদত্ত নিয়ম অনুসৰি মহিলাসকলে সকলোবোৰ সুবিধা যাতে লাভ কৰিব পাৰে, সেই সম্বন্ধে সজাগ হ'ব পাৰিবা।
- উন্নয়নমূলক কাম কাজত অংশ গ্ৰহণ কৰি মহিলাসকলে যাতে সমাজৰ উন্নতিত অৰিহণা যোগাবলৈ সক্ষম হয়, সেই বিষয়ে অৱগত হ'ব পাৰিবা।
- সামগ্ৰিক ভাবে উন্নত সামাজিক পৰিবেশ সৃষ্টি কৰাৰ বিষয়ে জানিব পাৰিবা।

**প্ৰস্তাৱনা ঃ**

তোমালোকে জানাই যে পাৰিপাৰ্শ্বিক শিক্ষাই পৰিবেশৰ সহায়ত পৰিবেশৰ ওপৰত আৰু পৰিবেশৰ কাৰণে অধ্যয়ন কৰাৰ ওপৰত গুৰুত্ব দিয়ে। এই শিক্ষা ব্যৱস্থাই মানুহ আৰু প্ৰকৃতিৰ মাজত থকা গভীৰ সম্পৰ্কৰ কথাই সুচায়। জনসংখ্যা শিক্ষাৰ দ্বাৰা জনসংখ্যা, ইয়াৰ বিস্ফোৰণ, সমস্যা আৰু সমাধান সম্পৰ্কে জানিব পৰা যায়। মানুহৰ সুস্বাস্থ্য বৰ্ত্তিৰখা আৰু দীৰ্ঘায়ু কামনাৰ অৰ্থে শাৰীৰিক শিক্ষাই বহুত সমল যোগায়। ই শাৰীৰিক স্বাস্থ্যৰ লগতে মানসিক আৰু আবেগিক বিকাশতো ই যথেষ্ট সহায় কৰে। শাৰীৰিক শিক্ষাই ব্যক্তিগত বিকাশৰ লগতে সামাজিক বিকাশৰ ক্ষেত্ৰতো অৰিহণা যোগায়। মূল্যবোধৰ শিক্ষাই শিক্ষাদান প্ৰক্ৰিয়াত এনেবোৰ কাৰ্য্যসূচীৰ অৰ্ন্তভুক্তিকৰণৰ কথা সুচায় যিবোৰে ব্যক্তি আৰু সমাজৰ উন্নতি সাধন কৰিব পাৰে।

সৱলীকৰণ হৈছে এনে এটা প্ৰক্ৰিয়া যাৰ দ্বাৰা ব্যক্তিৰ মাজত নিহিত হৈ থকা পাৰদৰ্শিতা সম্পৰ্কে অৱগত হ'ব পাৰি। ই ব্যক্তিক উচিত সময়ত, উচিত ঠাইত গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰাত সক্ষম কৰি তোলে। মহিলাসকলে সমাজৰ আৰ্থসামাজিক আৰু সাংস্কৃতিক বিকাশত যথেষ্ট অৰিহণা যোগায় যদিও

DAILY ASSAM



আমাৰ সমাজত মহিলাই জনসাধাৰণৰ আধা অংশই বহন কৰে, প্ৰচলিত কিছুমান ধাৰণাৰ বাবে তেওঁলোকক পুৰুষৰ অধীন ৰূপে বিবেচনা কৰা হয়। এনে ধাৰণাবোৰৰ প্ৰত্যাহ্বান জনোৱাৰ বাবে মহিলাৰ সামৰ্থ্য বঢ়োৱা প্ৰক্ৰিয়াকে 'মহিলা সৱলীকৰণ'' বোলে।

## (ক) পৰিৱেশ শিক্ষা

আমি সকলোৱে এটা কথা জানো যে পৰিৱেশ মানে হৈছে আমাৰ চাৰিওফালে জৈৱিক আৰু অজৈৱিক উপাদানেৰে পৰিবেষ্টিত কৰি ৰখা পৰিস্থিতি। ব্যক্তিগত বা সামূহিক ভাবে আমি সকলোৱেই পৰিৱেশৰ আবেষ্টনীত বাস কৰি আছো। আমাৰ সামাজিক অৱস্থা, অৰ্থনৈতিক অৱস্থা, দৈহিক অৱস্থা, জৈৱিক অৱস্থা আৰু ৰাসায়নিক বাতাবৰণ আদিৰ প্ৰভাৱ পৰিৱেশৰ ওপৰত সদা বিৰাজমান। অৰ্থাৎ এগৰাকী ব্যক্তিয়ে জীৱনটো আৰম্ভ কৰাৰ সময়ৰ পৰাই তেওঁৰ ওপৰত বিৰাজ কৰা সকলোবোৰ বাহ্যিক কাৰকেই হ'ল পৰিৱেশ।

Mc Graw Hill ৰ Encyclopaedia of Environmental science (1975) ৰ মতে— পৰিৱেশ হ'ল—

"সকলো ধৰণৰ অৱস্থা আৰু প্ৰভাৱ যিয়ে উমৈহতীয়া ভাৱে মানুহ আৰু অন্যান্য প্ৰাণীৰ বিকাশ সাধন কৰিব পাৰে।"

**Douglass আৰু Holland ৰ মতে**

"সকলোবোৰ বাহ্যিক শক্তি, প্ৰভাৱ আৰু পৰিস্থিতি আদি যি সজীৱ প্ৰাণীৰ প্ৰকৃতি, আচৰণ তথা বিকাশ আৰু পৈণতা প্ৰাপ্তিৰ ওপৰত প্ৰভাৱ পেলায় তাকে সামগ্ৰিক ৰূপত পৰিৱেশ স্বৰূপে বৰ্ণনা কৰা হয়।" আটাইতকৈ গ্ৰহণযোগ্য পৰিৱেশৰ সংজ্ঞাটো পোৱা যায় পৰিৱেশ শিক্ষাৰ ওপৰত (টিলিদিত, ইউ. এছ. এছ. আৰ, 1977) বহা সন্মিলনখনত। এই সন্মিলনত কোৱা হৈছে পৰিৱেশ হৈছে—

"Whole set of natural and social systems in which man and other organims live and from which they draw their sustanance"

পৰিৱেশক মূলতঃ তিনিটা ভাগত ভাগ কৰিব পাৰি। সেই ভাগ কেইটা হ'ল—

**প্ৰাকৃতিক পৰিৱেশ ঃ** প্ৰাকৃতিক পৰিৱেশে আমাৰ জলবায়ু, জলমণ্ডল, গছ-গছনি, হাবি-জংঘল, নৈ-সাগৰ আদিক সামৰি লয়।

**সামাজিক পৰিৱেশ ঃ** সামাজিক পৰিৱেশ বুলি কওঁতে আমাৰ আৰ্থ-সামাজিক গাঠনি, জন-গাঠনি, জনসংখ্যা বৃদ্ধিৰ হাৰ, নিয়োগ ব্যৱস্থা, সাংস্কৃতিক পৰিক্ৰমা, জীৱন নিৰ্বাহৰ মানদণ্ড আদি বিষয়বোৰ অন্তৰ্ভুক্ত কৰা হয়।

**মানৱ-সৃষ্ট পৰিৱেশ ঃ** মানৱ সৃষ্ট পৰিৱেশে গাওঁ, নগৰ চহৰ, অনুষ্ঠান প্ৰতিষ্ঠান, উদ্যোগ, ৰাস্তাঘাট, ঘৰদুৱাৰ, কৃষি, পৰিবহন ব্যৱস্থা আদি সামৰি লয়।


**জানিব লগীয়া**

"Environment" শব্দটো মূল ফৰাচী ভাষাৰ "Environer" শব্দৰ পৰা অহা, যাৰ অৰ্থ হ'ল "আমাৰ চাৰিওফাল" বা "আমাৰ পাৰিপাৰ্শ্বিকতা"।

DAILY ASSAM



**মনত ৰাখিবলগীয়া**




পৰিবেশ সন্দৰ্ভত আমি কিছু ধাৰণা পালো। এতিয়া আমাৰ মনত প্ৰশ্ন উদয় হ'ব পাৰে পৰিবেশ শিক্ষা মানেনো কি? অথবা এই বিষয়টো অধ্যয়ন কৰাৰ প্ৰয়োজনীয়তা কিমান? পৰিবেশ শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্যনো কি কি হ'ব পাৰে আৰু এই শিক্ষাৰ পৰিসৰে নো কিমানখিনি ক্ষেত্ৰক সামৰি ল'ব পাৰে ইত্যাদি।

**জানিবলগীয়া**

১৮৬৯ চনতেই আৰ্নেষ্ট হেকেল (Earnest Hackel) নামৰ এজন জাৰ্মান জীৱ বিজ্ঞানীয়ে পৰিবেশ সচেতনতাৰ কথা মানুহক প্ৰদান কৰে।

**কাৰ্যাৱলী ঃ**

- বায়ু, পানী-মাটিৰ প্ৰদূষণে মানুহৰ স্বাস্থ্য ৰক্ষাত কেনেদৰে আঘাত হানিছে তাক লক্ষ্য কৰা।
- ভয়াবহ ৰূপত বৃদ্ধিহোৱা জনসংখ্যাই প্ৰকৃতিৰ ওপৰত কেনেদৰে প্ৰদূষণ বিয়পাইছে উল্লেখ কৰা।

পৰিবেশ শিক্ষা হৈছে পৰিবেশৰ 'জৰিয়তে', পৰিবেশৰ 'বিষয়ে' আৰু পৰিবেশৰ 'কাৰণে' দিয়া শিক্ষা। শিক্ষাদান কাৰ্য্য বিভিন্ন পদ্ধতিৰে, বিভিন্ন কাৰ্যৰ দ্বাৰা সম্পন্ন কৰিব পৰা যায়। প্ৰাকৃতিক পৰিবেশৰেই কথা হওক বা সাংস্কৃতিক, সামাজিক পৰিবেশৰ কথাই হওক শিশুৱে ভূগোল, বুৰঞ্জী আদি বিষয়সমূহৰ মাধ্যমেৰে শিকিব পাৰে। পৰিবেশৰ 'কাৰণে' শিকোৱাৰ অৰ্থই হ'ল পৰিবেশক নিয়ন্ত্ৰণ কৰা—

সম্পদৰ সঠিক ব্যৱহাৰ আৰু সংৰক্ষণ কৰি জৈৱিক ভাৰসাম্যতা স্থাপন কৰা আৰু পৰিবেশ প্ৰদুষণ নিয়ন্ত্ৰণ কৰা।

**জানিবলগীয়া ঃ**

পৰিবেশ শিক্ষাই মানুহে প্ৰকৃতিৰ লগত কৰা সম্পৰ্কৰ কথাও সূচায়। জনসংখ্যা বৃদ্ধি, প্ৰদুষণ, সম্পদৰ বিতৰণ, সংৰক্ষণ, নগৰমুখীকৰণ, গাওঁ আৰু নগৰৰ বাবে কৰা পৰিকল্পনা আদি ইয়াত অন্তৰ্ভুক্ত। জীৱনব্যাপি চলাশিক্ষাৰ ক্ষেত্ৰত অনুসৰণ কৰা নীতিসমূহ ইয়াতো প্ৰযোজ্য।

**জানিবলগীয়া ঃ**

প্ৰতি বছৰে ৫ জুনৰ দিনা বিশ্ব পৰিৱেশ সংৰক্ষণ দিৱস স্বৰূপে উদ্‌যাপন কৰা হয়।

**সংজ্ঞা**

বিভিন্নজন চিন্তাবিদে পৰিবেশ শিক্ষাৰ সংজ্ঞা বিভিন্ন ধৰণে দাঙি ধৰিছে ঃ

1976 অত Jammi অত অনুষ্ঠিত হোৱা UNESCO ৰ পৰিবেশ শিক্ষা সম্পৰ্কীয় আলোচনা চক্ৰত কোৱা হৈছে ঃ

"পৰিবেশ শিক্ষা হৈছে পৰিবেশ ৰক্ষনা বেক্ষণৰ লক্ষ্য সমূহক বাস্তৱায়িত কৰা এক উপায়। ই এক পৃথক অধ্যয়ন ক্ষেত্ৰ বা বিজ্ঞানৰ এটা পৃথক ভাগ নহয়। জীৱনব্যাপি চলা শিক্ষাৰ নীতি অনুসৰি ইয়াৰ প্ৰধান কাৰ্য্য চলা উচিত।"

১৯৯১ চনত আমেৰিকাত অনুষ্ঠিত "American States Conference on Education and Environment"ৰ দৃষ্টিভংগী অনুসৰি

"পৰিবেশ শিক্ষাই আৱশ্যকতাৰ সিদ্ধান্ত সমূহৰ শিক্ষা প্ৰদানৰ সকলো দিশ অন্তৰ্ভুক্ত কৰি লয় আৰু পাৰিপাশ্বিৰ্কতা সম্পৰ্কত জটিল প্ৰশ্নসমূহৰ বিষয়ে যিবোৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু দাৰ্শনিক যদিও কাৰিকৰী তেনে প্ৰশ্নসমূহৰ বিষয়ে স্পষ্টভাৱে চিন্তা কৰাৰ সামৰ্থতা প্ৰদান কৰে।"

**আৰ. এ.শৰ্মাৰ মতে**

"বৈষয়িক আৰু সাংস্কৃতিক পৰিবেশৰ সজাগতা আৰু বাস্তৱ জীৱনৰ পৰিস্থিতিৰ লগত ইয়াৰ সম্পৰ্ক সম্বন্ধে পৰিবেশ শিক্ষাই বুজ লয়।"

**পৰিবেশ শিক্ষাৰ প্ৰয়োজনীয়তা ঃ**

মানুহ আৰু পৰিবেশৰ মাজত যে এক গভীৰ সামাজিক তথা বৈষয়িক সম্পৰ্ক সদা বিৰাজমান সেই সম্পৰ্কে ল'ৰা-ছোৱালীক অৱগত কৰাবলৈ পৰিবেশ শিক্ষাৰ অতি প্ৰয়োজন। পৰিবেশ প্ৰদূষণ আৰু অৱনয়নৰ ফলত বৰ্ত্তমান সৃষ্টি হোৱা কেতবোৰ ভয়াবহ সমস্যাৰ বিষয়ে পৰিবেশ শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ মনত সজাগতা বৃদ্ধি কৰাত সহায় কৰে। পৰিবেশ শিক্ষাৰ প্ৰধান উদ্দেশ্যই হৈছে জনগনৰ মাজত সজাগতা সৃষ্টি কৰি পৰিবেশ মূলক বিষয়সমূহৰ সম্পৰ্কে বুজাই তোলা যাতে প্ৰকৃতি আৰু প্ৰাকৃতিক উৎসসমূহক ভালদৰে ৰাখি তাৰ উচিত ব্যৱহাৰ কৰিব পাৰি। মূলতঃ পৰিবেশৰ প্ৰতি সজাগ আৰু সক্ৰিয় কৰি তোলাৰ বাবেই পৰিবেশ শিক্ষাৰ প্ৰয়োজনীয়তা অপৰিসীম।

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিত পৰিবেশ শিক্ষাক সমগ্ৰ শিক্ষা ব্যৱস্থাৰ অংশ হিচাপে সামৰি লবলৈ পৰামৰ্শ দিয়া হৈছে।

**কাৰ্য্যাৱলী ঃ**

পৰিবেশ শিক্ষা আৰু কি কি কাৰণত প্ৰয়োজন হ'ব পাৰে আলোচনা কৰা।

**জানানে ?**

"এছিয়া মহাদেশত পৰিবেশ শিক্ষা প্ৰদানৰ বাবে হোৱা কৰ্মশালাত উল্লেখ কৰা পৰিবেশ শিক্ষণৰ উদ্দেশ্য বোৰ হ'ল —

পৰিবেশত অন্তৰ্নিহিত বিভিন্ন কাৰক আৰু সেইবোৰৰ মাজত থকা সম্পৰ্কৰ বিষয়ে জনা।

পৰিবেশৰ সংৰক্ষণ আৰু পৰিবৰ্দ্ধনৰ বাবে প্ৰয়োজনীয় মুল্যবোধ মনোভাৱ দায়িত্ব আহৰণ কৰা।

পৰিবেশ সম্বন্ধীয় সমস্যাৱলী চিনাক্ত আৰু সমাধান কৰাৰ কৌশল আহৰণ কৰা।

পৰিবেশৰ সমস্যা বোৰ বুজি উচিত, প্ৰতিক্ৰিয়া প্ৰকাশ কৰাত আৰু সমাধনৰ বাবে চেষ্টা কৰাত সহায় কৰা।

DAILY ASSAM



### পৰিবেশ শিক্ষাৰ নীতি ঃ

১। পৰিবেশ শিক্ষাই অভিজ্ঞতা আহৰণৰ ক্ষেত্ৰত সৰলৰ পৰা জটিলতালৈ গতি কৰাত সহায় কৰে। উদাহৰণ স্বৰূপে, সৰু ল'ৰা-ছোৱালীয়ে চৰাই এটালৈ লক্ষ্য কৰিছেঁ— চৰাইটোৱে আহাৰ খোৱা আৰু উৰি যোৱা লক্ষ্য কৰিছে। এই অভিজ্ঞতাই তেওঁলোকক চৰাইৰ খাদ্যভাগ আৰুঃ উৰণৰ অভ্যাসৰ প্ৰতি সজাগ কৰি তুলিবলৈ সক্ষম হ'ল।

২। পৰিবেশ শিক্ষাই শিশুক অনিশ্চয়তাৰ নিশ্চয়তালৈ লৈ গতি কৰাত সহায় কৰে। উদাহৰণ স্বৰূপে এটা শিশুৱে অতি সহজে বিভিন্ন ৰংৰ মাজত থকা বৈষম্যৰ বিষয়ে ক'ব নোৱাৰে। কিন্তু বয়সৰ লগে লগে ই বিভিন্ন ৰংৰ বিষয়ে ভালদৰে ক'ব পৰা হয়।

৩। পৰিবেশ শিক্ষাই শিশুকমূৰ্তৰ পৰা বিমূৰ্তলৈ যোৱাত সহায় কৰে। পৰিবেশত থকা বিভিন্ন সম্পদসমূহ দেখি বা শুনি শিশুবে নিজস্ব মন্তব্য আগবঢ়াব পাৰে।

৪। পৰিবেশ শিক্ষাৰ সমাজৰ লগত সম্পৰ্ক থকা দেখা যায়। মানুহ আৰু পৰিবেশৰ মাজত এক গভীৰ আৰু বৈষয়িক সম্পৰ্ক থকা সদায় দেখা যায়। সময়ৰ পৰিবৰ্তনৰ লগে লগে মানুহৰ মনোভাৱৰো পৰিবৰ্তন হোৱা দেখা যায়। বিভিন্ন জাতি, ধৰ্মৰ মাজত বিদ্বেষ ভাব অহাৰ উপৰিও হিংসা,ঘৃনা আদিও যেন বেছি হ'বলৈ ধৰিছে।

**জানানে?**

টিলিটি সন্মিলনেও (USSR,1977) পৰিবেশ শিক্ষাত বিজ্ঞান আৰু মানৱীয় বিষয়ৰ আটাইবোৰ বিষয় যেনে কাৰিকৰী, অৰ্থনীতি, ৰাজনীতি বিজ্ঞান, নীতি শিক্ষা আদি পৰিবেশ শিক্ষাত অন্তৰ্ভুক্ত কৰাৰ ওপৰত গুৰুত্ব দিছে। ইয়াৰোপৰি সন্মিলনে কয় যে প্ৰাক-প্ৰাথমিক ব্যাপি চলা শিক্ষা বুলি অভিহিত কৰা উচিত।

### পৰিবেশ শিক্ষাৰ পৰিসৰ ঃ

পৰিবেশ শিক্ষাৰ পৰিসৰ ইমানেই বহল যে প্ৰকৃতিৰ সকলো বিভাগকেই ই সাঙুৰি লয়। সামাজিক, অৰ্থনৈতিক, কাৰিকৰী, নৈতিক, শৈক্ষিক আদি সকলোবোৰ দিশেই ইয়াত অন্তৰ্ভুক্ত. পৰিবেশ শিক্ষা হৈছে পৰিবেশৰ 'জৰিয়তে'', পৰিবেশৰ 'বিষয়ে' আৰু পৰিবেশৰ ''কাৰনে'' দিয়া শিক্ষা।


(১) পৰিবেশৰ মাধ্যমেৰে সহজে শিক্ষা আহৰণ কৰিব পাৰি। চৰাই চিৰিকতি, গছ, বন, আদিৰ বিষয়ে পাঠ্যপুথিৰ পৰা জ্ঞান আহৰন কৰাতকৈ পৰিবেশৰ পৰা প্ৰত্যক্ষভাৱে জ্ঞান আহৰণ কৰিব পাৰি।

(২) মানুহে পৰিবেশ অবিহনে জীয়াই থাকিব নোৱাৰে। একোটা পৰিয়ালত জন্ম গ্ৰহন কৰা শিশুটোৱে বিভিন্ন স্তৰৰ মাধ্যমেদি (অৰ্থৎ বাল্যকাল, কৈশোৰ কাল, প্ৰাপ্ত বয়স্ক কাল) জীৱন কটাব লগীয়া হয়। প্ৰত্যেক স্তৰতে পৰিবেশৰ কথা জনা অপৰিহাৰ্য্য। পৰিবেশ শিক্ষাই মানুহৰ স্বাস্থ্যৰ ক্ষেত্ৰত পৰিবেশে পেলোৱা প্ৰভৱৰ কথাও উনুকিয়ায় দিলে পৰিবেশৰ পৰাই প্ৰকৃত সুখ পোৱা যায়। প্ৰকৃতিক ভাল পালেহে মানুহে প্ৰকৃত সুখী হ'ব পাৰে।

পৰিবেশ শিক্ষাই সাঙুৰি লোৱা অন্য এটা দিশ হৈছে ''পৰিবেশৰ কাৰণে'' শিক্ষা। বৰ্তমান যুগত

পাৰিপাশ্বিক ক্ৰমবিবৰ্তন হোৱা দেখা যায় জনসংখ্যা বিস্ফোৰন,বৈষয়িক সম্পদৰ অৱনয়ন, বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ দ্বাৰা উদ্ভাৱন হোৱা সামগ্ৰীৰ পৰা হোৱা বায়ু,পানী মাটিৰ প্ৰদুষনে মানৱ সমাজক ধ্বংসৰ মুখলৈ ঠেলি নিয়া দেখা গৈছে। এইবোৰৰ পৰা পৰিত্ৰান পোৱাৰ উপায় উদ্ভাৱনৰ অতি প্ৰয়োজন হৈ পৰিছে।

আকৌ জনসংখ্যা আটাইতকৈ কম (০.৫ মিলিয়ন প্ৰায়) লক্ষদ্বীপ পূঞ্জৰ জনসংখ্যা মাত্ৰ ৬০ হাজাৰ মানহে। এই বৰ্দ্ধিত হাৰৰ জনসংখ্যাই বৰ্তমান আমাৰ দেশখনৰ অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ ক্ষেত্ৰত কিমান ভয়াবহ সমস্যাৰ সৃষ্টি কৰি আহিছে, তোমালোকে চিন্তা কৰাচোন। এই ভয়াবহ সমস্যাবোৰৰ পৰা পৰিত্ৰাণ পাবলৈ অৰ্থাৎ জনসংখ্যা বিস্ফোৰণৰ




### (খ) জনসংখ্যা শিক্ষা

তোমালোকে এটা কথা নিশ্চয় জানা যে ২০০১ চনৰ ভাৰতীয় লোকপিয়লৰ হিচাপ মতে ভাৰতবৰ্ষৰ জনসংখ্যা হ'ল ১,০২৮ মিলিয়ন। সমগ্ৰ পৃথিৱীৰ সৰ্বমুঠ জনসংখ্যাৰ ১৬.৭ শতাংশই হৈছে ভাৰতীয়। এইখন দেশৰেই আকৌ উত্তৰ প্ৰদেশত জনসংখ্যা সকলোতকৈ বেছি(১৬৬ মিলিয়ন প্ৰায়) । চিকিমত

ভয়ংকৰ পৰিনাম সম্পৰ্কে জানিবলৈ আৰু তাৰ পৰা উদ্ধাৰ পাবলৈ হ'লে তোমালোক সকলোৱে 'জনসংখ্যা শিক্ষা" সম্পৰ্কে অৱগত হোৱাটো অতি প্ৰয়োজনীয় হ'ব।

"জনসংখ্যা শিক্ষা" হৈছে এনে এক ধৰণৰ কাৰ্য্যসূচী — যাৰ দ্বাৰা বৰ্দ্ধিত হাৰত বৃদ্ধি হোৱা জনসংখ্যা, তাৰ পৰা উদ্ভৱ হোৱা সমস্যা, সমস্যাবোৰ বোধ কৰা, আৰু জনবিস্ফোৰন নিয়ন্ত্ৰণ কৰাৰ উপায় বা কৌশল উদ্ভাৱন আদিৰ বিষয়ে অধ্যয়ন কৰা হয়।

DAILY ASSAM



**জানানে ঃ**

১৯৮২ চনৰ শান্তিৰ নোবেল বঁটা প্ৰাপ্ত আমেৰিকাৰ সমাজতত্ত্ববিদ "আলভা মিৰদাল" (Alvc Myrdal) এ পোন প্ৰথমবাৰৰ বাবে জনসংখ্যা শিক্ষাৰ ধাৰণা ডাঙি ধৰিছিল।

সংজ্ঞা ঃ

জনসংখ্যা শিক্ষাৰ কেইটামান উল্লেখযোগ্য সংজ্ঞা হ'ল ঃ

**বাৰ্বচনে কয় যে,** "জনসংখ্যা শিক্ষা হ'ল এনে এক শিক্ষা যাৰ দ্বাৰা জনসংখ্যা পৰিয়াল আৰু যৌন জীৱন সম্পৰ্কে জ্ঞান আৰু মনোভংগীৰ অধ্যয়ন কৰিব পৰা যায়।"

১৯৭০ চনত বেংককত UNESCO ই অনুষ্ঠিত কৰা দক্ষিণ পূব এছিয়া আঞ্চলিক কৰ্মশালত "জনসংখ্যা শিক্ষা" সম্পৰ্কে নিম্নলিখিত ধৰণে কোৱা হৈছে —

"জনসংখ্যা শিক্ষা এক শৈক্ষিক কাৰ্য্যসূচী যি পৰিয়াল, সম্প্ৰদায়, জাতি আৰু বিশ্বৰ জনসংখ্যা, পৰিস্থিতি সম্বন্ধে অধ্যয়নৰ সুয়োগ দিয়ে আৰু এনে অধ্যয়নৰ উদ্দেশ্য হ'ল এই পৰিস্থিতিৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ যুক্তি সঙ্গঁত আৰু দায়িত্বশীল মনোভাৱ আৰু আচৰণৰ বিকাশ ঘটোৱা।"

**গোপাল ৰাওৰ মতে,** "জনসংখ্যা শিক্ষা হ'ল এনে এক শিক্ষা যাৰ দ্বাৰা জনসংখ্যা বৃদ্ধিৰ ফলত সৃষ্টি হোৱা সমস্যাৰ বিষয়ে শিক্ষাৰ্থীসকলে অৱগত হ'ব পাৰে আৰু সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে।"

**কাৰ্য্যাৱলী ঃ**

"জনসংখ্যা শিক্ষাৰ" সংজ্ঞা কেইটামান আহৰণ কৰি, চিন্তাবিদসকলে বিশেষকৈ কিহৰ ওপৰত গুৰুত্ব দিছে লক্ষ্য কৰা।

**জানানে ঃ**

২০০০ চনৰ ১১ মে'ত ভাৰতৰ জনসংখ্যা ১০০ কৌটি হৈ উঠা বুলি চৰকাৰী ভাৱে ঘোষণা কৰা হয়।

একে চনৰে ফেব্ৰুৱাৰী মাহত "জনসংখ্যা বৃদ্ধি নিয়ন্ত্ৰণ" কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে "জনসংখ্যা নীতি" ঘোষণা কৰিছে।

**মন কৰিবলীয়া ঃ**

জনসংখ্যা শিক্ষাৰ উদ্দেশ্যসমূহ নিম্নলিখিত ধৰণেও উপস্থাপন কৰিব পাৰি ঃ

জনসংখ্যা আৰু আৰ্থসামজিক বিকাশৰ মাজত থকা সম্পৰ্ক বুজা।

জনসংখ্যা বৃদ্ধিৰ ধাৰা সম্পৰ্কে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই যে জন্মৰ হাৰ আৰু মৃত্যুৰ হাৰ নিম্নগামী কৰিছে সেই সম্পৰ্ক উপলব্ধি কৰা।

সৰু পৰিয়ালে যে প্ৰত্যেক ব্যক্তিক উন্নত জীৱন যাপনৰ সহায় কৰে তাক জানিবলৈ দিয়া।

সৰু পৰিয়ালত যে সদায় সুখ শান্তি বিৰাজমান তাৰ ধাৰণা ডাঙি ধৰাত সহায় কৰা।

জনসংখ্যা বিস্ফোৰনে পৰিবেশৰ ওপৰত পেলোৱা বহু বিৰূপ প্ৰভাৱ সম্পৰ্কে সজাগতা বৃদ্ধি কৰা।

### জনসংখ্যা শিক্ষাৰ বৈশিষ্ট্য

- জনসংখ্যা শিক্ষা মানৱসম্পদ আঁচনিৰ অন্তৰ্ভুক্ত।
- এই শিক্ষাই দেশৰ গুণগত আৰু সংখ্যাগত মানদণ্ড বিকাশৰ ক্ষেত্ৰত অৱিহ্ণা যোগায়।
- এই শিক্ষাক পৰিৱেশ শিক্ষাৰ অংশবিশেষ ৰূপেও বিবেচনা কৰিব পাৰি।
- এই শিক্ষাৰ পৰিসৰ যৌন শিক্ষাৰ পৰিসৰতকৈ যথেষ্ঠ বহল।
- এই শিক্ষাই জন সজাগতা বৃদ্ধিৰ ক্ষেত্ৰত সহায় কৰে।

**কাৰ্য্যাৱলী ঃ**

- বৰ্দ্ধিত জনসংখ্যাই আমাৰ পাৰিপাৰ্শ্বিক আৰু সামাজিক জীৱনত কি কি নেতিবাচক প্ৰভাৱ পেলাইছে আলোচনা কৰা।
- জনবিস্ফোৰণে ভাৰতবৰ্ষত যে শিশুৰ পুষ্টিহীনতা ৰোধকৰাত সমস্যাৰ সৃষ্টি কৰিছে তাৰ পৰ্যালোচনা কৰা।

### জনসসংখ্যা শিক্ষাৰ প্ৰয়োজন ঃ

- জনসংখ্যা শিক্ষাই জনসাধৰণৰ মাজত প্ৰচলিত অন্ধ বিশ্বাসসমূহ আঁতৰ কৰাত সহায় কৰে। ভালদৰে জীৱন অতিবাহিত কৰাৰ ক্ষেত্ৰত এই শিক্ষা অতি প্ৰয়োজন।
- জনসংখ্যা শিক্ষা আৰু পৰিয়াল পৰিকল্পনাৰ মাজত যে প্ৰভেদ আছে, সেই বিষয়ে জনসাধাৰণক অৱগত কৰাবলৈ এই শিক্ষাৰ প্ৰয়োজন।
- জনসংখ্যা বিস্ফোৰণে সৃষ্টি কৰা সমস্যা আৰু তাৰ সমাধান সম্পৰ্কে জনসংখ্যা শিক্ষাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীক অৱগত কৰাব পাৰি।
- সমাজত মহিলা আৰু পুৰুষৰ স্থিতি যে সমান, সেই বিষয়ে জনসংখ্যা শিক্ষাৰ দ্বাৰা অৱগত কৰাব পাৰি।
- বৰ্দ্ধিত জনসংখ্যা হৈছে মানৱ সম্পদৰ বৰ্দ্ধিতকৰণ। সাধাৰণ অৰ্থত ই এক সমস্যা হ'ব নোৱাৰে। জনসংখ্যা শিক্ষাৰ দ্বাৰা শিক্ষাৰ্থীক উৎপাদনক্ষম কৰি তোলাৰ উপৰিও সমাজৰ স্থিতি সম্পৰ্কে সজাগ কৰি তুলিব পাৰি। গতিকে মানৱ সম্পদ বিকাশৰ ক্ষেত্ৰত জনসংখ্যা শিক্ষা অতি প্ৰয়োজন।
- সু নাগৰিক কৰি গঢ়ি তোলাৰ ক্ষেত্ৰত এই শিক্ষা যথেষ্ট সহায়কাৰী।

**কাৰ্য্যাৱলী ঃ**

অন্যান্য কি কি ক্ষেত্ৰত জনসংখ্যা শিক্ষা প্ৰয়োজনীয় হ'ব পাৰে আলোচনা কৰা।

### শিক্ষানুষ্ঠানত জনসংখ্যা শিক্ষা ঃ

- NCERT এ দিল্লীত অনুষ্ঠিত কৰা ৰাষ্ট্ৰীয় সন্মিলনত (১৯৭১) কোৱা হয় যে স্কুলীয়া শিক্ষাৰ সকলো স্তৰতে অৰ্থাৎ প্ৰাথমিক (নিম্ন আৰু উচ্চ প্ৰাথমিক) আৰু মাধ্যমিক স্তৰত জনসংখ্যা শিক্ষা প্ৰদান কৰা উচিত।
- প্ৰাথমিক স্তৰত ল'ৰা-ছোৱালীক সৰু পৰিয়ালৰ ধাৰণা আৰু গুণগত জীৱন ধাৰণাৰ মানদণ্ডৰ ওপৰত ইয়াৰ প্ৰভাৱ সম্পৰ্কে অৱগত কৰাব লাগে।
- মাধ্যমিক স্তৰত, জনসংখ্যা বৃদ্ধিৰ ইতিহাস আৰু আন আন দেশৰ জনসংখ্যাৰ গতিধাৰা সম্বন্ধে শিকাব পৰা যায়।
- কোনো শিক্ষাবিদৰ মতে মাধ্যমিক স্তৰত জনসংখ্যা শিক্ষা 'এটা পৃথক বিষয় হিচাপে

DAILY ASSAM



অন্তৰ্ভূক্ত কৰিব লাগে। আন আন চিন্তবিদৰ মতে পাঠ্যক্ৰমৰ কিছুমান বিষয়ৰ প্ৰতিটোৰ অন্তৰ্ভুক্ত দুই চাৰিটা পাঠৰ মাধ্যামেৰে জনসংখ্যা শিক্ষাৰ বিভিন্ন কথা শিকাব পাৰি। যেনে বুৰঞ্জীৰ দ্বাৰা জনসংখ্যক বৃদ্ধিৰ হাৰ আগতে কেনেকুৰা আছিল, সাহিত্যৰ মাজেৰে জনসংখ্যা বৃদ্ধিৰ দ্বাৰা সমাজত হোৱা অসুবিধাৰ কথা অৱগত কৰাব পাৰি। এই স্তৰত যৌন শিক্ষা অন্তৰ্ভুক্তি কৰণৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হয়।

* মহাবিদ্যালয় পৰ্য্যায়ত ছাত্ৰ-ছাত্ৰীসকলক শৰীৰৰ অংগপ্ৰত্যংগৰ সৈতে ভালদৰে চিনাকি কৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে। প্ৰজনন গ্ৰন্থিৰ কাৰ্য্য সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক অৱগত কৰাব লাগে।
* 'জনসংখ্যা'' বিষয়ক গৱেষণা কৰিবৰ বাবে গৱেষক পণ্ডিত সকলক উৎসাহিত কৰিব লাগে।
* বিভিন্ন পৰ্য্যায়ৰ প্ৰশিক্ষণ কেন্দ্ৰবোৰত "জনসংখ্যা শিক্ষণ" বিষয় হিচাপে অন্তৰ্ভুক্ত কৰিব লাগে।

**কাৰ্য্যাৱলী ঃ**

বিশ্বৰ অন্যান্য দেশৰ লগত ভাৰতবৰ্ষৰ জনসংখ্যাৰ তুলনামুলক অধ্যয়ন কৰা।

**মনত ৰাখিবলগীয়া**

১৯৯৩ আৰু ১৯৯৪ চনত অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় সন্মিলনত লোৱা সিদ্ধান্তৰ ওপৰত ভিত্তি কৰি NCERT য়ে জনসংখ্যা শিক্ষাৰ পাঠ্যক্ৰমত ছটা বিষয়ৰ অন্তৰ্ভুক্তিৰ ওপৰত গুৰুত্ব দিছে। বিষয়কেইটা হ'ল—

পাৰিবাৰিক জীৱন, লৈঙ্গিকসমতা আৰু সমভাৱ,কৈশোৰ অৱস্থা, প্ৰজলন, স্বাস্থ্য, স্বাস্থ্য আৰু শিক্ষা, চহৰীকৰণ আৰু প্ৰব্ৰজন, দীৰ্ঘকালীন বিকাশ।

## (গ) শাৰীৰিক শিক্ষা - ১

শাৰীৰিক শিক্ষাৰ ধাৰণা একেবাৰে নতুন নহয়। এই শিক্ষা, সাধাৰণ শিক্ষাৰ অংশবিশেষ। শিক্ষাৰ লক্ষ্যই হৈছে শিক্ষাৰ্থীৰ সামূহিক বিকাশ অৰ্থাৎ শাৰীৰিক, মানসিক নৈতিক, আবেগিক আৰু সামূহিক বিকাশত সহায় কৰা। এৰিষ্ট 'টলেও' সুস্থ হেত সুস্থ মন গঢ়ি তোলাই "শিক্ষাৰ লক্ষ্য বুলি অভিহিত কৰিছিল। এজন ব্যক্তিৰ সুস্থ মানসিক বিকাশৰ বাবে শৰীৰ সুস্থ হৈ থাকিব লাগিব আৰু শৰীৰক সুস্থ কৰি ৰখাৰ বাবেই শাৰীৰিক শিক্ষা অতি প্ৰয়োজন।

প্ৰকৃততে "শাৰীৰিক শিক্ষা" শব্দটো অতি সহজ নহয়।ই বিস্তৃত ধৰণাৰ আগৰ দিনত শাৰীৰিক শিক্ষাই কেৱল শাৰীৰিক কৰ্মব্যস্ততাকেই সুচাইছল। কাৰণ এনেধৰণৰ ব্যস্ততাইহে এজন ব্যক্তিক জীয়াই থকাৰ সুবিধা দিব পাৰিছিল।

শাৰীৰিক শিক্ষাৰ আৰম্ভণি পোন প্ৰথমে গ্ৰীচ দেশত হোৱা বুলিয়ে ক'ব পাৰি। ভাৰতবৰ্ষতো প্ৰাচীন কালত শাৰীৰিক কৰ্মব্যস্ততাকেই জীৱন নিৰ্বাহৰ বাবে অতি প্ৰয়োজনীয় বুলি বিবেচনা কৰা হৈছিল। মানৱ সভ্যতাৰ বিকাশৰ লগে লগে ইয়াৰ ধাৰণাৰো সলনি হ'বলৈ ধৰে আৰু বৰ্তমান এজন শিশুৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক বিকাশৰ বাবে অৰ্থাৎ সম্পূৰ্ণ ব্যক্তিত্বৰ বিকাশৰ বাবে শাৰীৰিক কাৰ্য্যসম্পাদনাৰ মাজেৰে গ্ৰহন কৰা শিক্ষা ব্যৱস্থাকেই শাৰীৰিক শিক্ষা বুলি অভিহিত কৰা হয়।

**মনত ৰাখিবলগীয়া**

শাৰীৰিক শিক্ষাই এজন শিশুৰ শাৰীৰিক বিকাশৰ ক্ষেত্ৰত সহায় কৰাৰ উপৰিও সুস্থভাৱে জীৱন বিকাশৰ মানসিক, সামাজিক আৰু আবেগিক বিকাশৰ ক্ষেত্ৰতো ই সহায়কাৰী।

**সংজ্ঞা ঃ**

শাৰীৰিক শিক্ষাৰ কেইটামান সংজ্ঞা তলত ডাঙি ধৰা হ'ল —

কেচ্ছেদিৰ মতে (Cassidy) "শাৰীৰিক শিক্ষা হ'ল সঞ্চালন ক্ৰিয়াকেন্দ্ৰিক অভিজ্ঞতাৰ ফলস্বৰূপে উদ্ভৱ হোৱা ব্যক্তিৰ পৰিবৰ্তনৰ সমষ্টি।

জেবি নাচ্ছৰ মতে (J.B.Nash) "শাৰীৰিক শিক্ষা, সমগ্ৰ শিক্ষাৰ ক্ষেত্ৰখনৰ এটা অংশ বা গঢ় যিয়ে সবল মাংসপেশীৰ ক্ৰিয়া কলাপ আৰু তাৰ লগত সম্বন্ধিত প্ৰতিক্ৰিয়াৰ লগত সম্পৰ্ক ৰাখে।"

নিক্সন আৰু কোজেনৰ মতে (Nixon and Cozens) "শাৰীৰিক শিক্ষা পূৰ্ণ শিক্ষা প্ৰক্ৰিয়াটোৰ সেই অংশ যিটো পেশীয় কাৰ্য্যাৱলী, সেইবোৰৰ লগত সম্পৰ্কিত অনুক্ৰিয়া সমূহ আৰু অনুক্ৰিয়া পৰিবৰ্তনৰ লগত জড়িত।"

ব্ৰাউনেলৰ মতে "শাৰীৰিক শিক্ষা হ'ল শকত মাংসপেশীৰ ক্ৰিয়া কলাপৰ যোগেদি গোট খোৱা অভিজ্ঞতাৰ খুপ, যিয়ে ব্যক্তিৰ বৃদ্ধি আৰু বিকাশ সাধন কৰে"

**কাৰ্য্যাৱলী**

তোমাৰ মা দেউতাহঁতে পঢ়ি থকা দিনত 'শাৰীৰিক শিক্ষা' দিয়াৰ ব্যৱস্থা আছিলনে? যদি আছিল, বৰ্তমান বিদ্যালয়ত দি শিক্ষা ব্যৱস্থাৰ লগত একে হয় নে নহয় আলোচনা কৰা।

**শাৰীৰিক শিক্ষাৰ প্ৰয়োজন আৰু গুৰুত্ব ঃ**

ছাত্ৰ-ছাত্ৰীৰ দৈহিক আৰু মানসিক উৎকৰ্ষসাধন দুয়োটাই স্কুলীয়া শিক্ষাৰ সমানেই গুৰুত্বপূৰ্ণ হোৱা উচিত।

অধিক সংখ্যক লোকেই বৰ্তমান মানসিক পীড়া, কষ্ট আদিত ভোগ দেখা যায়। কিছুমানৰ ক্ষেত্ৰত এনে পীড়াই "মানসিক অৱসাদ"বো সৃষ্টি কৰে। মানসিক অৱসাদত ভোগা ব্যক্তি এজনে সাধাৰণ জীৱন যাপন কৰাৰ ইচ্ছা প্ৰায় হেৰুৱাই পেলায়। শাৰীৰিক শিক্ষাই এজন ব্যক্তিৰ শাৰীৰিক দক্ষতা বৃদ্ধি কৰাৰ উপৰিও মানসিক সজাগতা আৰু তৎপৰতা বৃদ্ধিৰ ক্ষেত্ৰতো সহায় কৰে।

UNESCO ই শাৰীৰিক শিক্ষাৰ ওপৰত গ্ৰহন কৰা আৰ্ন্তজাতিক চাৰ্টাৰত কোৱা হৈছে —

"প্ৰত্যেক মানুহৰ শাৰীৰিক শিক্ষা আৰু খেলধেমালি কৰাৰ মৌলিক অধিকাৰ থকা উচিত, এজন মানুহৰ ব্যক্তিত্বৰ পূৰ্ণ বিকাশৰ বাবে প্ৰয়োজনীয় শাৰীৰিক শিক্ষাক শৈক্ষিক প্ৰণালীৰ অৰ্ন্তভুক্ত কৰিব লাগে, লগতে ইয়াক সামাজিক জীৱনৰ প্ৰতিটো পৰ্য্যায়তে ব্যৱহাৰ কৰা উচিত।"

ৰচোৰ মতে "শাৰীৰিক শিক্ষা, শৰীৰৰ এক সুস্থ সংগঠন যিয়ে মানুহৰ মনক সৰলতা আৰু নিশ্চয়তা প্ৰদান কৰে।"

প্লেটোৰ মতে " সুস্থ দেহতহে সুস্থ মনে বাস কৰে।"

মন্টেগ্ এভাৰছৰ মতে "শাৰীৰিক শিক্ষাই কেৱল আত্মা বা শৰীৰকেই গঢ় নিদিয়ে, বৰঞ্চ সম্পূৰ্ণ ব্যক্তিজনকেই গঢ় দিয়ে।

নিম্নলিখিত দিশসমুহে শাৰীৰিক শিক্ষাৰ গুৰুত্বৰ বিষয়ে অৱগত হোৱাত সহায় কৰিব।

DAILY ASSAM



১। শাৰীৰিক শিক্ষা মনৰ সজাগতা বৃদ্ধিৰ ক্ষেত্ৰত সহায়কাৰী, কাৰণ মল্লযুদ্ধ, কাৰাতী, ক্ৰীকেট আদি সকলোবোৰ ক্ষেত্ৰতেই মনোযোগ আৰু সজাগতাৰ প্ৰয়োজন। বিভিন্ন ধৰণৰ শাৰীৰিক শিক্ষাৰ কাৰ্য্যসুচীত অংশগ্ৰহনে ব্যক্তিৰ সজাগতা বৃদ্ধিত সহায় কৰে।

২। শাৰীৰিক শিক্ষাৰ দ্বাৰা মানুহৰ সুস্বাস্থ্য কেনেদৰে ধৰি ৰাখিব পাৰি সেই সম্বন্ধে যথাৰ্থ জ্ঞান ছাত্ৰ-ছাত্ৰীসকলক দিব পাৰি। তেওঁলোকক বিভিন্ন ৰোগৰ বিষয়ে, এইবোৰৰ কাৰণ আৰু সতৰ্কতা মুলক ব্যৱস্থা ইত্যাদিৰ সম্বন্ধে জনাব পাৰি।

৩। জাতীয় সংহতি বজাই ৰখাৰ ক্ষেত্ৰত শাৰীৰিক শিক্ষাই গুৰুত্বপূৰ্ণ ভুমিকা পালন কৰে।

৪। অৱসৰ সময় কটাবৰ বাবে শাৰীৰিক শিক্ষাৰ অতি প্ৰয়োজন।

৫। মানুহৰ মাজত আন্তৰিকতা বৃদ্ধি কৰিবৰ বাবে শাৰীৰিক শিক্ষা অতি প্ৰয়োজন। সহযোগিতা সহনশীলতা আদি গুণ সমূহৰ বিকাশ শাৰীৰিক শিক্ষাৰ দ্বাৰা সম্ভৱ হয়।

৬। আবেগিক বিকাশৰ ক্ষেত্ৰতো শাৰীৰিক শিক্ষা অতি প্ৰয়োজন। বিভিন্ন ধৰণৰ কামৰ দ্বাৰা খং, ৰাগ, চিন্তা, ভাবনা আদিৰ পৰা আতৰত থাকিব পাৰি। সহ্যগুণ বৃদ্ধিৰ ক্ষেত্ৰতো ই সহায় কৰা দেখা যায়।

৭। অনুশাসন বজাই ৰখাৰ ক্ষেত্ৰতো শাৰীৰিক কাৰ্যক্ৰমনিকাই সহায় কৰে। ব্যক্তিত্বৰ বিকাশৰ বাবে প্ৰয়োজনীয় গুণ সমুহ আয়ত্ব কৰাত ই সহায় কৰে।

৮। শাৰীৰিক কাৰ্যক্ৰমনিকাই সুখৰ জীৱন কটোৱাত সহায় কৰাৰ উপৰিও ক্ষমতা বৃদ্ধি আৰু চৰিত্ৰ গঠনতো সহায় কৰে। ই বাস্তৱৰ সন্মুখীন হোৱাতো সহায় কৰে।

৯। শাৰীৰিক শিক্ষাই অধ্যৱসায়, দলীয় তৎপৰাতা, দলীয় নেতৃত্ব, নীতি নিয়মৰ প্ৰতি শ্ৰদ্ধাশীল, আদি গুণৰ বিকাশ সাধন কৰে।

মুঠতে শাৰীৰিক শিক্ষাৰ প্ৰয়োজনীয়সমূহ হৈছে—

অনুশাসন গঠন, আবেগিক বিকাশ, মানুহৰ মাজত আন্তৰিকতাৰ ভাব বৃদ্ধি, অৱসৰ সময়ৰ সৎ ব্যৱহাৰ, জাতীয় সংহতিৰ বজাই ৰাখা, স্বাস্থ্য,বেমাৰ আজাৰ সমস্যাৰ জ্ঞান আহৰণ, মানসিক সজাগতা বৃদ্ধি, সুখ, ক্ষমতা বৃদ্ধি আৰু চৰিত্ৰ গঠন, শাৰীৰিক শিক্ষা,

## বিদ্যালয়ত শাৰীৰিক শিক্ষা ঃ

চিন্তাবিদসকলে কয় যে বিদ্যালয়ৰ দহবছৰীয়া শিক্ষা গ্ৰহণ কালত শাৰীৰিক শিক্ষা অন্তৰ্ভুক্ত কৰিব লাগে। ছাত্ৰ-ছাত্ৰীৰ শৰীৰ, মন আৰু আত্মাৰ বিকাশৰ বাবে খেলা-ধূলাৰ মাধ্যমেৰে শাৰীৰিক শিক্ষা পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰাৰ উপৰিও তেওঁলোকৰ মাজত থকা ক্ষমতা আৰু পাৰদৰ্শিৰ্তাৰ পৰীক্ষণ কৰিব লাগে।

উচ্চ প্ৰাথমিক স্তৰত, ব্যায়াম, শৰীৰ চৰ্চ্চা, যোগ, ড্ৰিল, স্কাউট, গাইদ আদি অন্তৰ্ভুক্ত কৰিব লাগে। বিদ্যালয়ে যোগান ধৰা আহিলা পাতিৰ ওপৰত আৰু বিদ্যাৰ্থীৰ পাৰদৰ্শিতাৰ ওপৰত নিৰ্ভৰ কৰি এই শিক্ষা দিয়াৰ ব্যৱস্থা বিদ্যালয় কতৃপক্ষই কৰিব লাগে। স্বাস্থ্য বিষয়ক শিক্ষাৰ ক্ষেত্ৰত, স্বাস্থ্য সম্পৰ্কে জ্ঞান, বিভিন্ন ধৰণৰ বেমাৰ আহাৰ, চাফ চিকুনতা, প্ৰদুষণ আদি ছাত্ৰ-ছাত্ৰীক দিব লাগে।

উচ্চ মাধ্যমিক পৰ্য্যায়ত, ব্যায়াম, শৰীৰচৰ্চ্চা যোগ, ধ্যান, সাতোঁৰ আদি শাৰীৰিক শিক্ষাৰ

পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিব লাগে উচ্চ প্ৰাথমিক আৰু মাধ্যমিক স্তৰত দলীয় খেল ধেমালী, কেম্প, প্ৰতিযোগিতা আদি অন্তৰ্ভুক্ত কৰিব লাগে। এন.চি.চি. স্কাউট, গাইড সমাজসেৱা আদি শাৰীৰিক শিক্ষাত অন্তৰ্ভুক্ত কৰিব লাগে। স্বাস্থ্য শিক্ষাৰ ক্ষেত্ৰত গুৰুত্ব দিব লগীয়া বিষয়বোৰ হ'ল সুস্বাস্থ্য বজাই ৰখাৰ নীতি নিয়ম সমূহ জনা, স্বাস্থ্যৰ ওপৰত প্ৰদুষণৰ প্ৰভাৱ, সুখাদ্য আৰু বেমাৰ আজাৰৰ পৰা হাত সাৰিবলৈ লবলগীয়া ব্যৱস্থাসমূহৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক অৱগত কৰোৱা।

নিম্নলিখিত ধৰণে বিভিন্ন স্তৰত শাৰীৰিক শিক্ষা প্ৰদান কৰা ব্যৱস্থা সমূহ দেখুৱাব পাৰি ——

উচ্চ মাধ্যমিক স্তৰ — ব্যায়াম, যেনে, খেলাধূলা, সাধনা, সাতোঁৰ আদি

উচ্চ প্ৰাথমিক স্তৰ — ব্যায়াম, খেলাধূলা, যোগ ড্ৰিল, স্কাউট, গাইড আদি।

**জানানে?**

NCERT এ "National Curriculum Framework for School Education (2000)" ত "খেলা ধূলা," যোগ আৰু সাধনা "স্কাউট, গাউড," খেলা ধূলা, আৰু ৰেডক্ৰছ" আদি অন্তৰ্ভুক্ত কৰিছে। চিন্তাবিদ সকলে কয় যে এনে কাৰ্যসুচীবোৰে ছাত্ৰ-ছাত্ৰীৰ শক্তিবৰ্দ্ধনত সহায় কৰাৰ উপৰিও বিভিন্ন ধৰণৰ বিষয়ৰ শিক্ষা গ্ৰহণতো সহায় কৰে।

**কাৰ্য্যাৱলী :**

- প্ৰকৃততে শাৰীৰিক শিক্ষা কিমান বয়সৰ পৰা আৰম্ভ কৰিব লাগে আলোচনা কৰা।
- উচ্চতৰ মাধ্যমিক স্তৰত শাৰীৰিক শিক্ষাৰ প্ৰয়োজন আছে বুলি তুমি ভাবানে?

## (ঘ) মূল্যবোধ শিক্ষা

তোমালোকৰ মনত নিশ্চয় কেতিয়াবা জীৱন, মৃত্যু,সত্য, শিৱ, সুন্দৰ আদি বিষয়বোৰক লৈ প্ৰশ্ন উদয় হয়। এই বোৰ শব্দই নো কি সুচায় অৰ্থাৎ এটা কথাত "মূল্যাবোধ মানেনো কি হ'ব পাৰে?

প্ৰকৃততে 'মূল্যবোধৰ' সংজ্ঞা ডাঙি ধৰা অতি কঠিন। চিন্তাবিদ সকলে কয় যে যেতিয়া কোনো এটা বিষয় বস্তু বা জীৱনৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। তেতিয়াই মূল্যবোধৰ কথা আহি পৰে। মূল্যাবোধৰ দ্বাৰা একোটা বিষয়ৰ বিকাশ সম্ভৱ হয় আকৌ বিভিন্ন ধৰণৰ বিচাৰ বিবেচনাৰ মাধ্যমেৰে। বিচাৰ বিবেচনা ব্যক্তিনিষ্ঠ বা বস্তুনিষ্ঠ দুয়োটাই হ'ব পাৰে।

অন্যান্য চিন্তাবিদ সকলে কয় যে মূল্যবো আচৰণৰ শিক্ষা প্ৰদান কৰে। অৰ্থাৎ এজন ব্যক্তিয়ে সমাজত প্ৰদৰ্শন কৰিব লগীয়া আচৰণ নিৰ্ধাৰিন কৰে কেৱল মূল্যবোধে। এখন ৰাষ্ট্ৰৰ ক্ষেত্ৰতো মূল্যবোধক দিক্ নিৰ্ণয়কাৰী বুলি অভিহিত কৰিব পাৰি।

**জানানে?**

১৮৮০ চনত জাৰ্মান দাৰ্শনিক ফ্ৰেড্ৰিক নিয়েটয়ে (Friedrich Nietzsche 1844 -1900) ই পোন প্ৰথমবাৰৰ বাবে "মূল্যবোধ" শব্দৰ প্ৰয়োগ কৰিছিল।

জন ডিউইৰ মতে, "Value means Primarily to prize, to esteem, to appraise, to estimate. It means the act of cherihing someting, holding it and also the act of passing judgement upon the nature........

Allport ৰ মতে মূল্যবোধ হৈছে ——

"এটা বিশ্বাস যাৰ ওপৰত নিৰ্ভৰ কৰিয়েই এজন

DAILY ASSAM



ব্যক্তিয়ে নিজস্ব ৰুচি অনুযায়ী কাৰ্য্যসম্পাদন কৰে।" ("a belief upon which a man acts by preference")

আদৰ্শবাদে কয় যে মূল্যবোধ সদা বিৰাজমান। মানুহে মূল্যবোধৰ গুৰুত্ব দিয়ে কাৰণ সেইবোৰেই হৈছে বাস্তৱ আৰু আমাৰ জীৱনৰ অংশ স্বৰূপ।

প্ৰকৃতিবাদে কয় যে প্ৰকৃতিত মাজতেই মূল্যাবোধক পোৱা যায়। আৰু সেইবোৰৰ উৎঘাটন কৰিব পাৰে একমাত্ৰ মানুহেই।

প্ৰয়োগবাদৰ ভাষাত মূল্যবোধ পূৰ্বপ্ৰতিষ্ঠিত নহয় বা চিৰন্তন নহয়। মানুহে প্ৰয়োজন অনুযায়ী সেইবোৰৰ সৃষ্টি কৰিব পাৰে।

সৌন্দৰ্যবোধক সাংস্কৃতিক নাগৰিকত্ব জাতীয় বা ৰাষ্ট্ৰীয় পাৰ্থিব শাৰীৰিক ধাৰ্মিক, আবেগিক মানৱীয় মানসিক বা বৌদ্ধিক নৈতিক আধ্যাত্মিক বিভিন্ন প্ৰকাৰৰ মূল্যবোধ।

## মূল্যবোধৰ শিক্ষা — ধাৰনা

মূল্যবোধৰ শিক্ষা বুলিলে এনেবোৰ শৈক্ষিক কাৰ্য্যসুচী অন্তৰ্ভুক্তি কৰণৰ কথা সুচায় যিবোৰে ব্যক্তি আৰু সমাজৰ উন্নতিৰ অৰিহনা যোগায়। অৰ্থাৎ এই কাৰ্য্যসূচী বোৰে সমাজ এখনক স্বীকৃতি প্ৰদান কৰাত সহায় কৰে। ই এজন ব্যক্তিৰ সৰ্বাত্মক বিকাশত অৰ্থাৎ শাৰীৰিক, মানসিক, নৈতিক সৌন্দৰ্যবোধক, সামাজিক আৰু আধ্যাত্মিক বিকাশত সহায় কৰে।

## মূল্যবোধৰ শিক্ষাৰ বৈশিষ্ট্য ঃ

১। মূল্যবোধৰ শিক্ষাত পৰিধি যথেষ্ট বহল।

২। মূল্যবোধৰ শিক্ষাই ব্যক্তিয়ে প্ৰত্যক্ষ বা পৰোক্ষভাৱে আহৰণ কৰা জ্ঞান, ধাৰণা অভ্যাস আদিকে সুচায়।

৩। মূল্যবোধৰ শিক্ষাই প্ৰত্যেক ব্যক্তিৰ "ভাল" হোৱাটো বিচাৰে। সমাজৰ লক্ষ্যত উপনীত হ'বলৈ হলে ই সহায়কাৰী

৪। পৰিয়াল, বিদ্যালয়, সমনীয়া, জনসংযোগ মাধ্যম আদিয়ে মূল্যবোধৰ বিকাশৰ ক্ষেত্ৰত অৰিহণা যোগায়।

নৈতিক শিক্ষা, পৰিবেশ শিক্ষা, জনসংখ্যা শিক্ষা, স্বাস্থ্য সম্পকীয় শিক্ষা শাৰীৰিক শিক্ষা, বুৰঞ্জী আৰু সংস্কৃতি, মূল্যবোধৰ শিক্ষাৰ অংশ।

## মূল্যবোধৰ শিক্ষাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব ঃ

শিক্ষাৰ অৰ্থ কেৱল ছাত্ৰ-ছাত্ৰীক শিক্ষাদান কৰাই নহয় বৰঞ্চ সুচৰিত্ৰ গঠন। চিন্তাবিদ সকলে কয় যে পাঠ্যক্ৰমত মূল্যবোধৰ শিক্ষা অন্তৰ্ভুক্ত কৰা অতি প্ৰয়োজন।

সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকে (জাতি, ধৰ্ম নিবিশেষে) পাঠ্যক্ৰমগ্ৰহণ কৰা প্ৰয়োজন। সেয়েহে সমাজ,সংস্কৃতি, পৰম্পৰা, ভাষা আদি বিষয়সমূহ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিব লাগে।

মূল্যবোধৰ শিক্ষাই এজন ব্যক্তিৰ নৈতিক আধ্যাত্মিক,সৌন্দৰ্য্যবোধক দিশসমূহ বিকশাই তোলাত সহায় কৰে। এই শিক্ষাৰ প্ৰয়োজন আৰু গুৰুত্ব নিম্ন ধৰণে আলোচনা কৰিব পাৰি।

* ব্যক্তিৰ ব্যক্তিত্ব বিকাশত সহায় কৰে।
* ছাত্ৰ-ছাত্ৰীৰ চৰিত্ৰগঠন আৰু নৈতিক বিকাশৰ দিশত এই শিক্ষাই সহায় কৰে।
* শিশুক পৰিবেশৰ লগত খাপ খোৱাত সহায় কৰে।
* সামাজিক দক্ষতা বৃদ্ধিত ই সহায়কাৰী।
* জাতীয় সংহতি বিকাশত এই শিক্ষাই সহায় কৰে।
* ই সাংস্কৃতিক মূল্যবোধৰ বিকাশৰ ক্ষেত্ৰত সহায় কাৰী।
* অৱসৰ সময় বিনোদনৰ ক্ষেত্ৰত এই শিক্ষা যথেষ্ট সহায়কাৰী।

**জানানে?**

কোঠাৰী আয়োগে মূল্যবোধৰ শিক্ষাৰ গুৰুত্বৰ ওপৰত কি কৈছে জানানে?

"The expanding knowledge and the growing power (Science) Which it places at the disposal of modern society, must, therefore, be combined with the strengthening and depending of the sense of social responsibility and a keen appreciation of moral and spiritual values."

## বিদ্যালয়ত মূল্যবোধৰ শিক্ষা

বিদ্যালয়ত মূল্যবোধৰ শিক্ষা দুই ধৰনে দিব পৰা যায় — প্ৰত্যক্ষভাৱে আৰু পৰোক্ষভাৱে।

বিদ্যালয়ত, দৈনন্দিন পাঠদানত, শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীক বিভিন্ন পাঠৰ মাধ্যমেৰে মূল্যবোধৰ শিক্ষা প্ৰদান কৰা হয়। কোনো কোনো ৰাজ্যত নীতিশিক্ষাৰ দ্বাৰা এই শিক্ষা প্ৰদান কৰা হয়। বিভিন্ন ধৰণৰ সাধুকথা বা বাস্তৱ অভিজ্ঞতাৰ বৰ্ণনাৰ মাধ্যমেৰে মূল্যবোধ সম্পৰ্কে বুজোৱা হয়। এই ক্ষেত্ৰত বিভিন্ন ধৰণৰ আলোচনাও কৰা হয়। পৰোক্ষ ভাৱে সহ পাঠ্যক্ৰম কাৰ্য্যসুচীৰ দ্বাৰা বিদ্যালয়ত এই শিক্ষা প্ৰদান কৰা হয়।

## মূল্যবোধৰ শিক্ষা প্ৰদানৰ পদ্ধতি

বক্তৃতা পদ্ধতি, ধৰ্মীয় শিক্ষা শান্তভাবে বহা (Silent sitting), সাধুকথা কোৱা (Story telling), নাটকৰ মাধ্যামেৰে (Role playing), কিতাপ আৰু আন সহযোগী পঠন কাৰ্যৱলী (Books and supplenentary reading Activity)।

**কাৰ্যাৱলী**

তোমাৰ তলৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে মূল্যাবোধৰ শিক্ষা কি দৰে প্ৰদান কৰিবা।

## মহিলা সবলীকৰণ

তুমি উচ্চমাধ্যমিক পৰীক্ষাত উৰ্ত্তীণ হৈ "কলা" শাখাত যে নামভৰ্ত্তি কৰিলা সিদ্ধান্তটো তোমাৰ নিজৰনে? এই ক্ষেত্ৰত তুমি অকল দেউতাৰাৰ পৰামৰ্শ লৈছিলা নে মা-দেউতা দুয়োৰে লগত আলোচনা কৰিছিলা?

নিৰ্দিষ্ট লক্ষ্যত উপনীত হ'বৰ বাবে প্ৰত্যেক ব্যক্তিয়ে কিছুমান কাম কৰিবলগীয়া হয়। এই কামবোৰ কৰিবৰ বাবে সামৰ্থ্যৰ প্ৰয়োজন হয়। সামৰ্থ্য সৃষ্টি কৰা প্ৰক্ৰিয়াকে "সাৱলীকৰণ" বুলি কোৱা হয় সৱলীকৰণে এজন ব্যক্তিক কোনো এটা কাৰ্য্যসম্পাদন কৰিববলৈ 'অধিকাৰ' প্ৰদান কৰে। ই ব্যক্তিক সঠিক সময়ত, সঠিক ঠাইত, সঠিক সিদ্ধান্ত ল'ব পৰাকৈ সক্ষম কৰি তোলে।

মহিলা সকলে সমাজৰ আৰ্থসামাজিক আৰু সাংস্কৃতিক বিকাশৰ ক্ষেত্ৰত যথেষ্ট অৰিহনা যোগোৱা দেখা যায়। যদিও আমাৰ দেশত, বিশেষাক নাৰীয়ে জনসাধৰণৰ আধা অংশই বহন কৰিছে আৰু ভাৰতীয় সংবিধানে নাৰীক পুৰুষৰ সমানেই অধিকাৰ প্ৰদান কৰিছে, সমাজত প্ৰচলিত কিছুমান ধাৰণাৰ বাবে নাৰীক পুৰুষৰ অধীন হৈ থকা দেখা যায়। এই ধাৰণাবোৰৰ প্ৰত্যাহ্বান জনোৱাৰ বাবে বা পৰিবৰ্তন আনিবৰ বাবে মহিলাৰ সামৰ্থ্য বঢ়োৱা প্ৰক্ৰিয়াকে "মহিলা সবলীকৰণ" বুলি ক'ব পাৰি। মহিলা সবলীকৰণে নাৰীক সিদ্ধান্ত গ্ৰহণ কৰাৰ ক্ষেত্ৰত সহায় কৰাৰ উপৰিও আত্মবিশ্বাসী হোৱাত আৰু সমাজৰ যিকোনো পৰিস্থিতিৰ লগত সমাযোজন কৰাতো সহায় কৰে। ই নাৰীক পৰিয়াল তথা সমাজৰ প্ৰতি থকা অৰ্থনৈতিক অৱদান সম্পৰ্কে সচেতনকৰি তোলাত সহায় কৰে।

DAILY ASSAM



মহিলাসকলক নিজা ভাৱমূৰ্ত্তি আৰু সামাজিক স্থিতি উন্নত কৰাত সবলীকৰণে সহায় কৰে।

**জানানে ?**

(ii) ২০০১ চনত মহিলাৰ সবলীকৰণ ৰাষ্ট্ৰীয় নীতি গ্ৰহণ কৰা হয়।

(National policy for the Empowrment of women – 2001)

**মহিলা সবলীকৰণৰ সংজ্ঞা ঃ**

১৯৮৫ চনত নাইৰোবিত অনুস্থিত হোৱা আৰ্ন্তজাতিক মহিলা সন্মিলনে “মহিলা সবলীকৰণৰ বিষয়ে কৈছে

“মহিলা সবলীকৰণ হ'ল সামাজিক শক্তি আৰু সম্পদ নিয়ন্ত্ৰণ ব্যৱস্থা মহিলাৰ হিতাৰ্থে পুনৰ বিতৰণ কৰাৰ প্ৰক্ৰিয়া।”

UNESCO ৰ Gender Empowerment Index ৰ মতে “ এজন ব্যক্তিয়ে তেতিয়া ক্ষমতাশালী হয় যেতিয়া তেওঁ সামাজিক আৰু ৰাজনৈতিকভাৱে নিজৰ লগতে আনকো সিদ্ধান্ত নিজে ল'ব পৰাকৈ সক্ষম হয়।”

“ভাৰতীয় বিধানত সৱলীকৰণ হ'ল জ্ঞাত পছন্দবোৰ বাছি ল'বলৈ মহিলাৰ ক্ষমতা উন্নীতকৰণ কৰা আৰু তেওঁলোকৰ অৰ্থনৈতিক আৰু ঘৰুৱা পৰিবেশ দক্ষতাৰে চলালি লোৱাৰ ক্ষমতা বৃদ্ধি কৰা।

(চি নলগৱি)।

**কাৰ্য্যৱলী ঃ**

মহিলা সবলীকৰণৰ অন্যান্য উদ্দেশ্য কি হ'ব পাৰে আলোচনা কৰা।

## ভাৰতীয় শিক্ষা ব্যৱস্থাত মহিলাৰ স্থিতি

চিন্তাবিদ সকলে কয় যে এখন সমাজত থকা মহিলাৰ স্থিতিয়ে সমাজখনৰ স্থিতিক প্ৰতিফলিত কৰে। এখন সমাজত থকা পুৰুষ আৰু মহিলাৰ স্থিতিৰ মাজত বিভাজন অনা নহয়।

মনুস্মৃতিত কোৱা হৈছে।, “যেতিয়া ছোৱালী শিশু হৈ থাকে তাই দেউতাকৰ অধীনত, বিয়াৰ পিছত গিৰিয়েকৰ অধীনত, বিয়াৰ পিছত গিৰিয়েকৰ অধীনত আৰু বৃদ্ধ কালছোৱাত পুত্ৰৰ অধীনত নিৰাপত্তা পাব।”

পুৰুষ প্ৰধান সমাজত প্ৰচলিত চিন্তাধাৰাবোৰৰ পৰা হাত সাৰি থাকিবলৈ আৰু সমাজত নিজৰ স্থিতি উন্নত কৰিবলৈ শিক্ষাৰ অতি প্ৰয়োজন।

বৈদিক যুগত নাৰীপুৰুষ উভয়ে শিক্ষা গ্ৰহন কৰা পৰিবৰ্ত্তে মুছলমান সকলৰ ৰাজত্বকালত নাৰী শিক্ষাৰ” অধিক অৱনতি হোৱা দেখা যায়। এই অৱনতিয়ে ইষ্ট ইণ্ডিয়াকোম্পানীৰ আগমনৰ সময়ত চুড়ান্ত ৰূপ লয়। সমাজ সংস্কাৰক সকলৰ আৰু খ্ৰীষ্টিয়ান মিছনাৰী সকলৰ সহায়ত স্বাধীনতাৰ সময়লৈ নাৰী শিক্ষাৰ বিকাশ সম্ভৱ হোৱা দেখা যায়।

স্বাধীনতাৰ পাছত ভাৰতীয় সংবিধানত নাৰী শিক্ষাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হয়। ১৯৫৮-৫৯ চনত ৰাষ্ট্ৰীয় স্ত্ৰী শিক্ষা কমিটি, ১৯৭৪ চনৰ মহিলাৰ স্থিতি সম্পৰ্কীয় কমিটি আৰু ১৯৮৮ চনত নাৰীৰ বাবে প্ৰস্তুত কৰা আঁচনিত মহিলাৰ স্থিতি আৰু শিক্ষাত ওপৰত গুৰুত্ব দিয়া হয়। ১৯৮৬ চনৰ ভাৰতৰ নতুন শিক্ষানীতি আৰু ১৯৯২ চনৰ পৰিবৰ্দ্ধিত শিক্ষা আঁচনিয়ে মহিলাসবলীকৰণক জাতীয় উন্নয়নৰ প্ৰধান কাৰ্য্যসুচী ৰূপে নিৰূপণ কৰে।

২০০১ চনৰ লোকপিয়লৰ মতে ভাৰতবৰ্ষৰ মহিলাৰ সাক্ষৰতাৰ নিৰিখ হ'ল ৫৪.১৬ %। ইয়াৰ বিপৰীত পুৰুষৰ সাক্ষৰতাৰ হাৰ হ'ল ৭৫.৮৫% মহিলাৰ সাক্ষৰতাৰ হাৰ বঢ়াবৰ বাবে চৰকাৰে লোৱা পদক্ষেপবোৰ হ'ল — ৰাষ্ট্ৰীয় সাক্ষৰতা মিছনৰ যোগেদি মহিলাসকলক কাৰ্য্যকৰী সাক্ষৰতাৰ শিক্ষা প্ৰদান (২) প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ (৩) অগতানুগতিক শিক্ষাৰ দ্বাৰা মহিলা সকলক ব্যাপকভাবে জড়িতকৰণ।

**জানানে?**

ভাৰতীয় চৰকাৰে National Policy for Empowerment of women নামৰ এখন আঁচনি ২০০১ চনত প্ৰস্তুত কৰি উলিয়াইছে।

**মনত ৰাখিবলগীয়া**

ৰাষ্ট্ৰীয় শিক্ষা আঁচনিত মহিলা সবলীকৰণৰ বাবে লোৱা কেইটামান পদক্ষেপ

৩৩% আসন মহিলাৰ বাবে সংৰক্ষিত, চৰকাৰী চাকৰিৰ আৰু চুক্তিবদ্ধ কামৰ ক্ষেত্ৰত ৩০% মহিলাৰ বাবে আছুতীয়াকৈ থোৱা, মহিলাৰ ৰাজনৈতিক সুৰক্ষা আৰু শক্তিৰ বাবে লোকসভা আৰু ৰাজ্যসভাত "মহিলা সংৰক্ষণ বিল" পাছ কৰা, মহিলাৰ আত্মসহায়ক গোট তৈয়াৰ কৰি দুখীয়া আৰু নিৰক্ষৰ আৰু নিৰক্ষৰ মহিলাক স্বাৱলম্বী হোৱাৰ সুযোগ দিয়া, সকলো মহিলাই যাতে আপাৰেচন ব্লেক ব'ড (O B B), সম্পূৰ্ণ শিক্ষা আঁচনি (TLM) জিলা প্ৰাথমিক শিক্ষাৰ কাৰ্য্যসূচী (DPEP), সৰ্বশিক্ষা আঁচনি অভিযান (SSA) আদিত অংশ লয় তাৰ ব্যৱস্থা কৰা, ৯০ দিনৰ পৰিবৰ্তে মাতৃত্বৰ ছুটি ১৩৫ দিনলৈ বৃদ্ধি কৰা, মহিলাৰ বাবে "মহিলা বেঙ্ক প্ৰতিষ্ঠা" কৰা য'ত মহিলাই সকলে কাম কাজ কৰিব পাৰে।

**জানানে?**

পুৰুষৰ উৎপীড়নৰ পৰা নাৰীক মুক্ত কৰিবলৈ ২০০৫ চনৰ ২৩ জুন তাৰিখে Protection of Women From donestic vilence Bill 2005" পাছ হৈছে।

**মহিলা সাবলীকৰণৰ বাবে শিক্ষা ব্যৱস্থা ঃ**

মহিলা সবলীকৰণৰ বাবে শিক্ষাৰ অতি প্ৰয়োজন। এই ক্ষেত্ৰত লবলগীয়া ব্যৱস্থাসমূহ তলত উল্লেখ কৰা হ'ল ——

- প্ৰত্যেকগৰাকী ছোৱালীয়েই যাতে বিনামুলীয়া আৰু বাধ্যতামুলক প্ৰাথমিক শিক্ষা আহৰণ কৰিব পাৰে তাৰ ব্যৱস্থা কৰিব লাগিব।
- মহিলাসকলৰ মাজত নিৰক্ষৰতাৰ হাৰ আতৰোৱাৰ বাবে চেষ্টা কৰিব লাগিব।
- ছাত্ৰীসকলৰ আগ্ৰহ, অভিৰুচি অনুযায়ী বৃত্তিমুখী আৰু কাৰিকৰী শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগিব।
- লিংগবিষয় অধ্যয়ন এটা বাধ্যতামূলক বিষয় হিচাপে প্ৰাক্‌স্নাতক পৰ্য্যায়ৰ পৰা অন্তৰ্ভুক্ত কৰিব লাগিব।
- মহিলাসকলক তেওঁলোকৰ জ্ঞাত পছন্দৰ ক্ষেত্ৰসমূহ যেনে শিক্ষা, স্বাস্থ্য নিয়োগ সম্পৰ্কে জানিবলৈ যোগ্যবান কৰি তুলিব লাগিব।
- মহিলাসকলৰ বাবে প্ৰস্তুত কৰা অধিকাৰ আৰু আইন সম্পৰ্কীয় সাধাৰণ জ্ঞান ছাত্ৰ-ছাত্ৰীসকলক প্ৰদান কৰিব লাগিব।
- পাঠ্যক্ৰমত মূল্যবোধৰ শিক্ষা অন্তৰ্ভুক্ত কৰিব লাগিব। এই বিষয়ৰ অন্তভুক্তি কৰণে আত্মবিশ্বাস গঢ়ি উঠাত সহায় কৰে।

DAILY ASSAM



**কাৰ্য্যাৱলী :**

মহিলাসকলক তেওঁলোকৰ সবলীকৰণত সহায় কৰিবলৈ আৰু ছাত্ৰসকলক এই বিষয়ত মনোভাব উন্নীত কৰিবলৈ শিক্ষানুষ্ঠান সমূহত কি ধৰণৰ ব্যৱস্থা লব পাৰে আলোচনা কৰা।

**জানানে?**

বিশ্ববিদ্যালয় অনুদান আয়োগে (UGC) মহিলা সবলীকৰণৰ বাবে নিম্নলিখিত ব্যৱস্থাসমূহ গ্ৰহণ কৰিছে —

- বিশ্ববিদ্যালয়ত স্থান পোৱা ছাত্ৰীৰ বাবে স্নাতকোত্তৰ প্ৰতিভা বৃত্তি
- মহিলা কাৰিকৰী পাঠ্যক্ৰমৰ বাবে বিশেষ সহায়
- মহিলাৰ বাবে অংশকালীন ৰিচাৰ্চ এছচিয়েট্‌শ্বিপ।
- মহিলাৰ বাব হোষ্টেল নিৰ্মাণৰ বিশেষ আঁচনি.
- মহিলাৰ বাবে বিজ্ঞান শিক্ষাৰ বিশেষ সুবিধা।
- বিশ্ববিদ্যালয়ত যৌন উৎপীড়ন ৰোধ কৰাৰ উদ্দেশ্যে বিশেষ কোষ গঠন।

## সাৰাংশ

- পৰিবেশ মানে হৈছে আমাৰ চাৰিওফালে জৈৱিক আৰু অজৈৱিক উপাদানেৰে পৰিবেষ্ঠিত কৰি ৰখা পৰিস্থিতি।
- পৰিবেশ শিক্ষা পৰিবেশৰ "কাৰনে" দিয়া শিক্ষা।
- বিভিন্ন জন শিক্ষাবিদে "পৰিবেশ শিক্ষাৰ" সংজ্ঞা বিভিন্ন ধৰণে ডাঙি ধৰিছে।
- পৰিবেশ শিক্ষাৰ উদ্দেশ্যসমূহ হৈছে — সজাগতা জ্ঞান, ধাৰণা, কৌশল আৰু অংশগ্ৰহণ।
- পৰিবেশ শিক্ষাই সৰলতাৰ পৰা জটিলতালৈ, অনিশ্চয়তাৰ পৰা নিশ্চয়তালৈ, মূৰ্তৰ পৰা বিমূৰ্তলৈ, সমাজৰ গত সম্পৰ্ক ৰক্ষা কৰাত সহায় কৰে।
- পৰিবেশ শিক্ষাৰ পৰিসৰ ইমানেই বহল যে ই প্ৰকৃতিৰ সকলোবোৰ বিভাগ যে সামাজিক, অৰ্থনৈতিক, কাৰিকৰী, নৈতিক, শৈক্ষিক আদি সকলোবোৰ দিশেই সাঙুৰি লয়।
- জনসংখ্যা শিক্ষা জনসংখ্যা বৃদ্ধি, সমস্যা আৰু সমাধানৰ কথা সুচায়।
- বিভিন্ন জন চিন্তাবিদে জনসংখ্যা শিক্ষাৰ সংজ্ঞা বিভিন্ন ধৰণে ডাঙি ধৰিছে।
- জনসংখ্যা সিক্ষা মানৱ সম্পদ বিভাগ আৰু পৰিবেশ শিক্ষাৰ অংশস্বৰূপ। ইয়াৰ পৰিসৰ যৌন শিক্ষাতকৈ বহল।
- উন্নত মানৰ জীৱন ধাৰণৰ বাবে এই শিক্ষা অতি প্ৰয়োজন।
- জনসংখ্যা শিক্ষা, শিক্ষাৰ প্ৰত্যেকটো স্তৰত অন্তৰ্ভুক্ত কৰা প্ৰয়োজন।
- শাৰীৰিক শিক্ষা মানসিক আদি সকলো দিশৰ সাঙুৰি লয়।
- শাৰীৰিক শিক্ষাৰ দ্বাৰা মানুহৰ সুস্বাস্থ্য কিদৰে ধৰি ৰাখিব পাৰি সেই সম্পৰ্কে জানিব পাৰি। এই শিক্ষাই বিভিন্ন ৰোগৰ বিষয়ে, এইবোৰৰ কাৰণ আৰু সৰ্তকতামূলক ব্যৱস্থা ইত্যাদিৰ সম্বন্ধে জনাব পাৰে।

* শাৰীৰিক শিক্ষাৰ উদ্দেশ্যই হৈছে ব্যক্তিৰ শাৰীৰিক মানসিক, নৈতিক, সামাজিক, আবেগিক আদি দিশ সমূহৰ বিকাশ সাধন কৰোৱা।
* শাৰীৰিক শিক্ষা উচ্চ প্ৰাথমিক স্তৰত আৰম্ভ কৰিব লাগে আৰু দশমান শ্ৰেণীলৈ এই শিক্ষা প্ৰদান কৰাৰ ব্যৱস্থা কৰিব লাগে।
* মূল্যবোধে কোনো এটা বিষয়,বস্তু বা জীৱনৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ কথা বুজায়।
* মূল্যবোধৰ শিক্ষাই এজন ব্যক্তিৰ সৰ্বাত্মক বিকাশত যেনে শাৰীৰিক, মানসিক, আবেগিক, আৰু সামাজিক আদিৰ বিকাশৰ ক্ষেত্ৰত সহায় কৰে। ব্যক্তিৰ লগতে সমাজক স্বীকৃতি প্ৰদান আৰু বিকাশ সাধনত এই শিক্ষা যথেষ্ট সহায়কাৰী।
* মূল্যবোধৰ শিক্ষাৰ সংজ্ঞা বিভিন্ন জন শিক্ষাবিদে বিভিন্ন ধৰনে ডাঙি ধৰিছে।

## প্ৰশ্নাৱলী

১। পৰিবেশ বুলিলে কি বুজা? পৰিবেশৰ বিভিন্ন ভাগবোৰ কি কি?

২। পৰিবেশ শিক্ষা কাক বোলে?

৩। পৰিবেশ শিক্ষাৰ উদ্দেশ্যবোৰ উল্লেখ কৰা।

৪। পৰিবেশ শিক্ষা প্ৰদানৰ বাবে একোখন শিক্ষানুষ্ঠানে কি কি নীতি অনুসৰণ কৰা প্ৰয়োজন?

৫। পৰিবেশ শিক্ষাৰ পৰিসৰত অন্তৰ্ভুক্ত হোৱ দিশবোৰ উল্লেখ কৰা।

৬। জনসংখ্যা শিক্ষাৰ ধাৰণা কোনে দিছিল?

৭। জনসংখ্যা শিক্ষাৰ সংজ্ঞা ডাঙি ধৰা। এই শিক্ষাৰ উদ্দেশ্যবোৰ কি কি?

৮। জনসংখ্যা শিক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে লিখা।

৯। শিক্ষাৰ বিভিন্ন স্তৰত জনসংখ্যা শিক্ষণ কি দৰে দিব পৰা যায়?

১০। শাৰীৰিক শিক্ষা বুলিলে কি বুজা?

১১। পুৰণি কালৰ শাৰীৰিক শিক্ষাৰ লগত আধুনিক যুগৰ শাৰীৰিক শিক্ষাৰ কিবা পাৰ্থক্য আছেনে?

১২। শাৰীৰিক শিক্ষাৰ উদ্দেশ্যবোৰ উল্লেখ কৰা

১৩। শাৰীৰিক শিক্ষা প্ৰয়োজন আছেনে? আলোচনা কৰা।

১৪। শাৰীৰিক শিক্ষা শিশুক জীৱনৰ কোনটো বয়সত প্ৰথমে প্ৰদান কৰিব লাগে?

১৫। মূল্যবোধ কি? মূল্যবোধৰ সংজ্ঞা দিয়া।

১৬। মূল্যবোধৰ শিক্ষা বুলিলে কি বুজা? এই শিক্ষাৰ বৈশিষ্ট্য কি কি?

DAILY ASSAM



১৭। মূল্যবোধৰ শিক্ষাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব সম্পৰ্কে লিখা।

১৮। বিদ্যালয়ত মূল্যবোধৰ শিক্ষা কি দৰে প্ৰদান কৰিব পাৰি?

১৯। সবলীকৰণ বুলিলে কি বুজা?

২০। মহিলা সবলীকৰণৰ সংজ্ঞা দিয়া। মহিলা সবলীকৰণৰ প্ৰয়োজনীয়তা সম্পৰ্কে লিখা।

২১। মহিলা সবলীকৰণৰ উদ্দেশ্য সম্পৰ্কে লিখা।

২২। ভাৰতীয় শিক্ষা ব্যৱস্থাত থকা মহিলাৰ স্থিতি সম্পৰ্কে লিখা।

২৩। মহিলা সবলীকৰণৰ বাবে লব পৰা শিক্ষা ব্যৱস্থা সম্পৰ্কে লিখা।